**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

১। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ বিশ্ববিদ্যালয়সমূহলৈ গৱেষণা আৰু উন্নয়নৰ বাবে দিয়া ধন সামগ্ৰী আৰু সেৱা কৰৰ পৰা ৰেহাই দিয়া হ'ব বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ প্ৰকাশ।

২। স্থায়ী পদত নিযুক্তিৰ ক্ষেত্ৰত স্থগিত ৰখা ৰাজ্যৰ চাৰি হাজাৰ ৮৫৪ গৰাকী ঠিকা ভিত্তিক শিক্ষকৰ নিয়মীয়াকৰণ প্ৰক্ৰিয়া আজি আৰম্ভ।

৩। যাত্ৰীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ বিশেষ গুৰুত্ব প্ৰদান। মহিলা যাত্ৰীৰ সুৰক্ষাৰ বাবে মেৰী চহেলী নামৰ এটা সুকীয়া নিৰাপত্তা বাহিনীৰ গোট গঠন।

৪। চীনত অনুষ্ঠিত পুৰুষৰ এছিয়া ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত জাপানৰ বিৰুদ্ধে ভাৰতৰ ৫-১ গলৰ ব্যৱধানত জয়লাভ।

***আৰু***

৫। গুৱাহাটীত অনুষ্ঠিত য়'নেক্স-ছানৰাইজ উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ মহিলা আৰু জুনিয়ৰ ছোৱালী দলৰ দলীয় শাখাত খিতাপ দখল।

০০০০০০

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনৰ বিশ্ববিদ্যালয়সমূহলৈ গৱেষণা আৰু উন্নয়নৰ বাবে দিয়া ধন সামগ্ৰি আৰু সেৱা কৰ অৰ্থাৎ জি এছ টিৰ পৰা ৰেহাই দিয়া হ'ব বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ঘোষণা কৰিছে। এই ক্ষেত্ৰত আইকৰ ৰেহাইৰ সুবিধা লাভ কৰা বিশ্ববিদ্যালয়সমূহেও ইয়াৰ পৰা উপকৃত হ'ব। কালি সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ বৈঠকৰ অন্তত বিত্ত মন্ত্ৰীগৰাকীয়ে সংবাদ মেল যোগে এইদৰে কয়—-

***ঃঃ ভইচ ঃঃ***

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ইয়াৰ বাবে সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ লগতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনক ধন্যবাদ জ্ঞাপন কৰিছে। পৰিষদে গ্ৰহণ কৰা এই উদ্যোগে অত্যাধুনিক গৱেষণাৰ বাবে উচ্চ শিক্ষানুষ্ঠানসমূহৰ বাবে অধিক ধনৰ উপলব্ধতা সুনিশ্চিত কৰিব বুলি তেওঁ মন্তব্যত প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ ৪ হাজাৰ ৮৫৪ গৰাকী ঠিকাভিত্তিক শিক্ষকৰ নিয়মীয়াকৰণ প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব। বিভাগীয় ৱেবছাইটৰ পৰা শিক্ষকসকলে তেওঁলোকৰ নিযুক্তি পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাথমিক শিক্ষা সঞ্চালকে এই সম্পৰ্কত কালি এটা বিশেষ নিৰ্দেশনা জাৰি কৰে। উল্লেখযোগ্য যে অলপতে ৰাজ্য চৰকাৰে ঠিকাভিত্তিত কৰ্মৰত প্ৰায় ২৪ হাজাৰ শিক্ষকৰ চাকৰি নিয়মীয়া কৰি নিযুক্তিপত্ৰ বিতৰণ কৰিছিল। ইয়াৰে ৫ হাজাৰ ৭০৪ গৰাকী ঠিকাভিত্তিক শিক্ষকৰ নিযুক্তিপত্ৰ বিশেষ কাৰণত স্থগিত ৰখা হৈছিল।

০০০০০০০০

ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰিবলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সুচাৰুৰূপে সম্পন্ন কৰিবলৈ জিলা প্ৰসাশনসমূহে যাৱতীয় প্ৰস্তুতি চলাইছে। যোৰহাট জিলাৰ আয়ুক্তগৰাকীয়ে কালি পৰীক্ষা কেন্দ্ৰসমূহৰ নিয়মীয়া পৰিদৰ্শন কৰি সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয়। পৰীক্ষা কেন্দ্ৰ থকা বিদ্যালয়সমূহৰ কৰ্তৃপক্ষৰ সৈতে মত বিনিময় কৰি আয়ুক্তগৰাকীয়ে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ইপিনে জিলাখনৰ পৰিবহণ বিষয়াগৰাকীয়ে পৰীক্ষাৰ দিনা যাতায়াত ব্যৱস্থা সুচল কৰি ৰখাৰ উদ্দেশ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

চৰাইদেউ জিলাতো ১৫ ছেপ্তেম্বৰ, ১৯ ছেপ্তেম্বৰ আৰু ২৭ অক্টোবৰত হ'বলগীয়া ৰাজ্যিক নিযুক্তি আয়োগৰ তৃতীয় চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষা স্বচ্ছ, শান্তিপূৰ্ণ আৰু ত্ৰুটিহীন ভাবে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰসাশনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে ইতিমধ্যে ২৪ ঘণ্টাই সক্ৰিয়া হৈ থকাকৈ এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। সেই অনুসৰি জিলা নিয়ন্ত্ৰণ কক্ষৰ ম'বাইল নম্বৰ ৬০০২৬-৭০৫০১ ত কিবা ওজৰ-আপত্তি থাকিলে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৰেই যাত্ৰীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। বিশেষকৈ মহিলা যাত্ৰীসকলৰ সুৰক্ষাৰ বাবে শেহতীয়াকৈ 'মেৰী চহেলী' নামৰ এটা সুকীয়া নিৰাপত্তা বাহিনীৰ গোট গঠন কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষই অলপতে এই কথা প্ৰকাশ কৰে। তেওঁলোকে জনোৱা মতে মহিলা ৰে'ল সুৰক্ষা বাহিনীৰ জোৱানেৰে গঠিত ১৫ টা 'মেৰী চহেলী' গোট বৰ্তমান উত্তৰ-পূব সংমণ্ডলৰ বিভিন্ন ষ্টেচনত নিয়োজিত হৈ আছে। আনহাতে, মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা মহিলা যাত্ৰীসকলক সুৰক্ষা প্ৰদানৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ অধীনত ৫৩ টা মানৱ সৰবৰাহ বিৰোধী গোট গঠন কৰা হৈছে। চলিত বৰ্ষত ৪ গৰাকী মহিলাক মানৱ সৰবৰাহকাৰীৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ লগতে এই ঘটনাৰে জড়িত তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। চলিত বৰ্ষৰ আগষ্টলৈকে মহিলা সুৰক্ষা সম্পৰ্কীয় ছটা গোচৰ ৰুজু কৰা হৈছে আৰু ৬ অপৰাধীক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুয হাজৰিকাই কালি জনতা ভৱনৰ  নিজৰ কাৰ্যালয়ৰ পৰা ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে বিভাগৰ সকলো অভিযন্তাৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাকে ধৰি অন্যান্য অভিযন্তাৰ সৈতে বিভাগীয় কামকাজৰ পৰ্যালোচনা কৰে। শ্ৰী হাজৰিকাই জলাশয় উন্নয়নৰ কামৰ পৰ্যালোচনা কৰি নদীৰ সৈতে সংলগ্ন নিৰ্দিষ্ট কিছুমান জলাশয় বাচনি কৰি বান নিয়ন্ত্ৰণৰ সহায়ক হোৱাকৈ উন্নয়ন কৰিবলৈ নিৰ্দেশ দিয়ে। জলসম্পদ বিভাগে প্ৰাথমিক পৰ্যায়ত এনে ৯টা

দলাশয় বাচনি কৰি ক্ষেত্ৰ অধ্যয়ন কৰি আছে। বৈঠকত জলসম্পদ মন্ত্ৰীগৰাকীয়ে কয় যে, খৰালিৰ সময়ত ৰাজ্যত প্ৰায় ২২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব। বিভাগীয় অভিযন্তা-কৰ্মচাৰীসকলৰ শলাগ লৈ শ্ৰী হাজৰিকাই কয় যে, তেওঁলোকৰ সবল ভূমিকাৰ বাবেই এইবাৰ ৰাজ্যত বানৰ প্ৰকোপ তুলনামূকভাৱে কম হয়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম বঁটাৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে। এই বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন অহা ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাৰ বাবে ভালে সংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত দশকটোত চৰকাৰে তৃণমূল পৰ্যায়ৰ অসংখ্য নায়কক পদ্ম সন্মানেৰে সন্মানিত কৰি আহিছে। এই সন্মান প্ৰাপকসকলৰ জীৱন যাত্ৰাই অগণন লোকক উদ্বুদ্ধ কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, এই লোকসকলৰ কামকাজত দৃঢ়তা আৰু অধ্যৱসায় স্পষ্টভাৱে প্ৰতিফলিত হয়। এই বঁটা প্ৰদান প্ৰক্ৰিয়াক অধিক স্বচ্ছ আৰু অংশীদাৰমূলক কৰি তোলাৰ বাবে চৰকাৰে জনসাধাৰণৰ পৰা এই বঁটাৰ বাবে মনোনয়ন বিচাৰিছে বুলি তেওঁ উল্লেখ কৰে।

00000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে কামৰূপ জিলাৰ অন্তৰ্গত দক্ষিণ কামৰূপ, পলাশবাৰী আদি অঞ্চলত একাংশ প্ৰতিষ্ঠানে কৃষিভূমি, জলাশয় আদি পুতি অবৈধভাৱে অট্টালিকা নিৰ্মাণ কৰাৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। বিশেষকৈ অঞ্চলটোৰ প্ৰাকৃতিক জলধাৰা বন্ধ কৰি এই নিৰ্মাণকাৰ্য চলাই থকাৰ বিৰুদ্ধে ন্যায়ালয়ে বিভাগীয় কৰ্তৃপক্ষক জবাবদিহি কৰিছে। এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সমগ্ৰ ঘটনাৰ তদন্তৰ বাবে এখন সমিতি গঠন কৰি অধিবক্তা অঞ্জন কলিতাক এই সমিতিৰ আয়ুক্ত হিচাপে নিযুক্তি দিছে। ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অঞ্জন কলিতাই সমগ্ৰ ঘটনাৰ ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণ কৰাৰ লগতে সকলো পক্ষৰ মতামত গ্ৰহণ কৰি বন্ধ খামত প্ৰতিবেদন দাখিল কৰিব লাগিব। লগতে আদালতে দিয়া দায়িত্ব অঞ্জন কলিতাই যাতে সুচাৰুৰূপে পালন কৰিব পাৰে, তাৰবাবে স্থানীয় প্ৰশাসন আৰু আৰক্ষীক সকলো সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে অবৈধ নিৰ্মাণকাৰ্যৰে প্ৰাকৃতিক জলধাৰা আৰু নলা-নৰ্দমাসমূহ বন্ধ কৰাৰ ফলত পলাশবাৰী অঞ্চলৰ ৰাইজ কৃত্ৰিম বানৰ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এনে প্ৰেক্ষাপটত সমগ্ৰ বিষয়টোত হস্তক্ষেপ বিচাৰি পলাশবাৰী অঞ্চলৰ ৯ গৰাকী স্থানীয় নাগৰিকে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

00000000

তিনিচুকীয়া জিলাৰ ডিগবৈ মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগে কালি এখন জাননীযোগে এই কথা প্ৰকাশ কৰিছে। শিক্ষামন্ত্ৰী ৰণোজ পেগু আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই স্বীকৃতি লাভৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ অন্তৰ্ভুক্ত হোৱা ডিগবৈ মহাবিদ্যালয়ক সামৰি বৰ্তমানলৈকে ৰাজ্যৰ ১২ খন মহাবিদ্যালয়ে স্বতন্ত্ৰ মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

00000000

দেশৰ ১৫ বছৰ বয়সৰ ওপৰৰ সকলো লোকক সাক্ষৰ কৰি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নৱ ভাৰত সাক্ষৰতা মিছনৰ অংশ স্বৰূপে শোণিতপুৰ জিলাত ১ৰ পৰা ৮ ছেপ্তেম্বৰলৈ সাক্ষৰতা সপ্তাহ পালন কৰা হয়। জিলাখনৰ বিভিন্ন বিদ্যালয়ত ইয়াৰ অধীনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। ১ ছেপ্তেম্বৰত জিলা সাক্ষৰতা মিছন কাৰ্যালয়ত আৰম্ভণি অনুষ্ঠানৰ পাছত ২ ছেপ্তেম্বৰত তেজপুৰৰ লোথেৰিয়ান উচ্চ মাধ্যমিক বিদ্যালয়ত মাতৃ গোটৰ সদস্য, স্বেচ্ছামূলক শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক লৈ এখন সজাগতা সভা অনুষ্ঠিত হয়। সেইদৰে ৩ ছেপ্তেম্বৰত উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত আৰু ৪ ছেপ্তেম্বৰত ৰূপাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়তো সজাগতা সভাত আয়োজন কৰা হয়। ৰূপাজুলিত পোষ্টাৰ আৰু শ্লোগানেৰে চাহ বাগিচাৰ লোকসকলক লৈ শোভাযাত্ৰা উলিওৱা হয়। ঢেকীয়াজুলি কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৬ ছেপ্তেম্বৰত সজাগতা সভা অনুষ্ঠিত হয়। তেজপুৰ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৭ ছেপ্তেম্বৰত তেজপুৰ শিক্ষণ বিদ্যালয়ৰ প্ৰবক্তা মন ময়ুৰী গোস্বামীয়ে **শিক্ষা সকলোৰে বাবে** শীৰ্ষক বক্তৃতা দিয়ে।

ইপিনে সামৰণিৰ দিনা ৮ ছেপ্তেম্বৰত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন্তৰ্জাতিক সাক্ষৰতা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। আনহাতে তেজপুৰৰ ভূপেন হাজৰিকা কলা ভূমিত আন্তৰ্জাতিক সাক্ষৰতা দিৱস উপলক্ষে এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

যোৰহাট জিলাত চলি থকা ১৫ বছৰ অনুৰ্ধ্বৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কালিৰ এখন খেলত অসমে তামিলনাডুক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, আন এখন খেলত লাক্ষাদ্বীপে মধ্যপ্ৰদেশক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ক্ষন্তেক সময়ৰ পাছত

হ'বলগীয়া এখন খেলত মধ্য প্ৰদেশ তামিলনাডুৰ মুখামুখি হ'ব। বিয়লি ৩ বজাত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন খেলত অসমে তেলেংগানাৰ বিৰুদ্ধে খেলিব।

০০০০০০০০

ভাৰতে কালি চীনৰ হুলুনবুৰত অনুষ্ঠিত পুৰুষৰ এছিয় চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত জাপানৰ বিৰুদ্ধে ৫-১ গ'লত বিজয় সাব্যস্ত কৰে। ভাৰতৰ হৈ সুখজীত সিঙে খেলৰ দ্বিতীয় আৰু ৬০ মিনিটত গ'ল দিয়াৰ বিপৰীতে অভিষেকে তৃতীয়, সঞ্জয়ে ১৭ আৰু উত্তম সিঙে ৫৪ মিনিটত গ'ল দিয়ে। খেলৰ ৪১ মিনিটত মাটছুমোটো কাজুমাছাৰ জৰিয়তে জাপানে একমাত্ৰ গ'লটো পৰিশোধ কৰিবলৈ সক্ষম হয়।

প্ৰতিযোগিতাৰ চাৰিবাৰৰ চেম্পিয়ন ভাৰতে ইয়াৰ পূৰ্বে প্ৰথমখন খেলত আয়োজক দেশ চীনক ৩-০ গ'লত পৰাস্ত কৰিছিল। হৰমনপ্ৰীত সিঙ নেতৃত্বাধীন ভাৰতীয় দলটো কাইলৈ যোৱাবাৰৰ ৰানাৰ্ছ আপ মালয়েছিয়াৰ মুখামুখি হ'ব।

ৰাউণ্ড ৰবিন পদ্ধতিৰে খেলোৱা প্ৰতিযোগিতাখনৰ শীৰ্ষ চাৰিটা দলে ১৬ ছেপ্টেম্বৰত হ'বলগীয়া ছেমিফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিব। ১৭ ছেপ্টেম্বৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০০

গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইনড'ৰ ষ্টেডিয়ামত চলি থকা য়'নেক্স-ছানৰাইছ উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ মহিলা আৰু জুনিয়ৰ ছোৱালী দলে দলীয় শাখাত খিতাপ দখল কৰিছে। অৱশ্যে জুনিয়ৰ ল'ৰাৰ দলীয় শাখাৰ ফাইনেলত অসমৰ দলটো মিজোৰামৰ বিৰুদ্ধে ২-০ গেমৰ ব্যৱধানত পৰাস্ত হয়। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ মহিলাৰ দলীয় শাখাৰ ফাইনেলত  অসমে ৩-১ গেমৰ ব্যৱধানত মণিপুৰক পৰাস্ত কৰে। পুৰুষৰ একক শাখাৰ ফাইনেলত অৰুণাচল প্ৰদেশৰ দলটোৱে মিজোৰামক ৩-২ গেমত পৰাজিত কৰি প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জন কৰে। এই শাখাত অসমৰ দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰতিযোগিতাখনৰ জুনিয়ৰ ছোৱালীৰ দলীয় শাখাৰ ফাইনেলত অসমৰ দলটোৱে মিজোৰামক ২-০ গেমত পৰাজিত কৰে। এইবাৰৰ প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চল ৮খন ৰাজ্যৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

ৰাজ্যত অবৈধ ট্ৰেডিঙৰ বিৰুদ্ধে অব্যাহত থকা তদন্ত প্ৰক্ৰিয়া, মণিপুৰৰ উত্তপ্ত পৰিস্থিতি, বিধ্বস্ত বাট-পথ আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে। মণিপুৰত গোষ্ঠী সংঘৰ্ষই পুনৰ ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। জনতাৰ সুৰক্ষাৰ দাবীৰে সাধাৰণ লোকে ৰাজ্যখনৰ ঠায়ে ঠায়ে প্ৰতিবাদ সাব্যস্ত কৰিছে। এই প্ৰতিবাদে বিভিন্ন সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এই বাতৰিটো আজি **দৈনিক অসম** কাকতে 'প্ৰতিবাদত আকৌ উত্তপ্ত মণিপুৰ, নিৰাপত্তাৰক্ষীৰে সংঘৰ্ষত আহত ২০ ছাত্ৰ-ছাত্ৰী' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে মুখ্যমন্ত্ৰীৰ লোকসেৱক আৰোগ্য যোজনা অচল হৈ পৰাক লৈ প্ৰস্তুত কৰা এটা বিতং বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে গুৱাহাটী মহানগৰীৰ পথসমূহ বিধ্বস্ত হৈ পৰাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোৰ শিৰোনাম 'প্ৰতিটো পথ-উপপথত বৃহৎ গাঁতঃ বিধ্বস্ত ৰাস্তাই বিপদ মাতিছে গুৱাহাটীলৈ'। অবৈধ ট্ৰেডিঙেৰে জড়িত দম্পত্তি চুমি বৰা আৰু তাৰ্কিক বৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰাক লৈ **আমাৰ অসম** কাকতে 'বতাহত টকা উৰুৱাই বতাহতেই বিলীন সপোনৰ সদাগৰ' শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে বাক্সাৰ এগৰাকী মহিলাই প্ৰলোভনেৰে ১০০ কোটি টকা সাধাৰণ জনতাৰ পৰা আত্মসাৎ কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোৰ শিৰোনাম 'বিটিআৰৰ বাক্সাতো অন্য এক বিশাল কাণ্ডঃ ১০০ কোটিৰ গৰাকী হ'ল পাণদোকানী'। ভাৰতত মাংকি পক্সৰ প্ৰথমটো তথ্য পোহৰলৈ অহা সন্দৰ্ভত প্ৰস্তুত কৰা বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ দাম বৃদ্ধি হোৱা সন্দৰ্ভত বিতংভাৱে প্ৰস্তুত কৰা এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে 'অপৰাধ অনুসন্ধানত অসম আৰক্ষীৰ ঈৰ্ষণীয় সাফল্য' শিৰোনামেৰে অসম আৰক্ষীৰ সফলতাৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ট্ৰেডিং কাণ্ডৰ তদন্তৰ দায়িত্ব চি বি আইক, শিল্পী-ডাক্তৰ-ইউটিউবাৰসহ ডিব্ৰুগড়ৰ ৮ জনলৈ লুকআউট নটিচ, উচ্ছেদিতলৈ মুখ্যমন্ত্ৰীৰ শিলসাঁকো পেকেজ, নিলম্বিত শ্বেৰমানৰ বিধায়ক পদ খাৰিজ নহয় কিয়- অধ্যক্ষলৈ ন্যায়ালয়ৰ জাননী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**